**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 01-04-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

# HEADLINES

**::::::::::::::::::**

১।	ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি মুম্বাইত ভাৰতীয় ৰিজাৰ্ভ বেংকৰ ৯০ সংখ্যক জয়ন্তী উদযাপনৰ সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰিব।

২।	বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে ভাৰত ভ্ৰমণৰত নেডাৰলেণ্ডছৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী কেচপাৰ ভেল্ডকেম্পকৰ সৈতে উভয় দেশৰ দ্বিপাক্ষিক সম্পৰ্কত আলোচনা কৰে।

৩।	ভূমিকম্প বিধবস্ত ম্যানমাৰলৈ ভাৰতে বৃহৎ পৰিমাণ মানৱীয় সাহায্য আৰু দুৰ্যোগ সাহায্য সামগ্ৰী আগবঢ়াইছে।

৪।	পশ্চিমবংগৰ দক্ষিণ ২৪ পৰগনা জিলাত এটা চিলিণ্ডাৰ বিস্ফোৰণৰ ঘটনাত ৪ গৰাকী শিশু আৰু দুগৰাকী মহিলাকে ধৰি মুঠ ৭ গৰাকী লোকৰ মৃত্যু হয়।	*আৰু*

৫।	আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত কালি মুম্বাই ইণ্ডিয়ানছে কলকাতা নাইট ৰাইডাৰ্ছক ৮ উইকেটত পৰাস্ত কৰে।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি মুম্বাইত ভাৰতীয় ৰিজাৰ্ভ বেংকৰ ৯০ সংখ্যক জয়ন্তী উদযাপনৰ সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰিব। কেন্দ্ৰীয় মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়া, মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নবিছ্ আৰু ভালেসংখ্যক বিষয়ববীয়াসকলো এই অনুষ্ঠানত উপস্থিত থাকিব। ভাৰতীয় ৰিজাৰ্ভ বেংকৰ গভৰ্নৰ সঞ্জয় মালহোত্ৰাই অনুষ্ঠানত আদৰণি ভাষণ আগবঢ়াব।

ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে দুদিনীয়া ভ্ৰমণসূচীৰে কালি মুম্বাইত উপস্থিত হৈছিল। বিমান বন্দৰত তেওঁক মহাৰাষ্ট্ৰৰ ৰাজ্যপাল চি পি ৰাধাকৃষ্ণনন আৰু উপ-মুখ্যমন্ত্ৰী একনাথ সিন্ধেই আদৰণি জনায়।

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে কালি সন্ধিয়া নতুন দিল্লীত ভাৰত ভ্ৰমণৰত নেডাৰলেণ্ডছৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী কেচপাৰ ভেল্ডকেম্পক সাক্ষাৎ কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ড০ জয়শংকৰে জনাই যে এই সাক্ষাতৰ সময়ত তেওঁলোকে বাণিজ্য, বিনিয়োগ, উদ্ভাৱন, জল, কৃষি, স্বাস্থ্য, নিৰাপত্তা আৰু দুয়োখন দেশৰ জনসাধাৰণৰ মাজৰ সম্পৰ্কৰ ক্ষেত্ৰত দ্বিপাক্ষিক সহযোগিতা সন্দৰ্ভত আলোচনা কৰে। তেওঁ কয়, যে ছেমি কণ্ডাক্টৰ, সেউজ হাইড্ৰজেন, শিক্ষা আৰু অন্যান্য বিষয়ত নতুন সম্ভাৱনা বিষয়েও তেওঁলোকে আলোচনা কৰে। উল্লেখযোগ্য যে মন্ত্ৰী ভেল্ডকেম্প দুদিনীয়া ভ্ৰমণসূচীৰে কালি নতুন দিল্লীত উপস্থিত হৈছে। এয়া হৈছে নেডাৰলেণ্ডছৰ মন্ত্ৰীগৰাকীৰ প্ৰথমবাৰলৈ আনুষ্ঠানিক ভাৰত ভ্ৰমণ। সামাজিক মাধ্যমৰ এটা বাৰ্তাত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে কয়, যে মন্ত্ৰীগৰাকীৰ এই ভ্ৰমণে ভাৰত আৰু নেডাৰলেণ্ডছৰ মাজৰ পাৰস্পৰিক সহযোগিতা বৃদ্ধি আৰু সম্পৰ্ক শক্তিশালী কৰিব।

০০০০০

ম্যানমাৰত হৈ যোৱা বিধবংসী ভূমিকম্পৰ পাছত ভাৰতে দেশখনলৈ সহায়ৰ হাত আগবঢ়াইছে। **অপাৰেচন ব্ৰহ্মৰ** অধীনত ভাৰতে কালি ম্যানমাৰৰ য়াংগুনত আই এন এছ্‌ সাতপুৰা আৰু আই এন এছ্‌ সাবিত্ৰীৰ জৰিয়তে ৫০ টন মানৱীয় সাহায্য আৰু দুৰ্যোগ সাহায্য সামগ্ৰী দেশখনলৈ আগবঢ়াইছে। এই সাহায্য সামগ্ৰীসমূহ ম্যানমাৰত থকা ভাৰতৰ ৰাষ্ট্ৰদূত অভয় ঠাকুৰৰ জৰিয়তে প্ৰদান কৰা হৈছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত য়াংগুনত থকা ভাৰতীয় দূতাবাসৰ সূত্ৰই কয়, যে ৬ খন ভাৰতীয় বায়ুসেনাৰ বিমান আৰু ৫ খন নৌসেনাৰ জাহাজেৰে ভাৰতে বৃহৎ পৰিমাণৰ সাহায্য সামগ্ৰী ম্যানমাৰৰ য়াংগুন, নেপীতা আৰু মাণ্ডালয়লৈ পঠিয়াইছে।

০০০০০

কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে বায়ু প্ৰদূষণ ৰোধ কৰাৰ ক্ষেত্ৰত বৈদ্যুতিক বাহনসমূহ শ্ৰেষ্ঠ বিকল্প বুলি মত প্ৰকাশ কৰিছে। শ্ৰীগাডকাৰীয়ে কালি মহাৰাষ্ট্ৰৰ থানেত লেব ইণ্ডিয়াৰ সহযোগত ই-বাইচাইকেল মুকলি কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে বায়ু প্ৰদূষণ দেশৰ এটা ডাঙৰ সমস্যা হিচাপে দেখা দিছে যদিও কেন্দ্ৰীয় চৰকাৰ এই প্ৰদূষণৰ সমস্যা ৰোধ কৰাৰ বাবে দায়বদ্ধ।

কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে দৃঢ়তাৰে কয়, যে ভাৰতে ২০৩০ চনত বৈদ্যুতিক বাহন উৎপাদনৰ ক্ষেত্ৰত শীৰ্ষস্থান অধিকাৰ কৰিব। তেওঁ লগতে কয়, যে অনাগত সময়ত পেট্ৰ'ল, ডিজেল আৰু বৈদ্যুতিক বাহনৰ মূল্য সমান হ'ব।

০০০০০

মধ্যপ্ৰদেশত উজ্জয়িন, ওমকাৰেশ্বৰ, মহেশ্বৰ, মাইহাৰকে ধৰি নিৰ্বাচিত গাঁও পঞ্চায়তৰ অন্তৰ্গত মুঠ ১৯খন ধৰ্মীয় চহৰ আৰু এলেকাত আৰোপ কৰা সুৰাৰ নিষেধাজ্ঞা আজি কাৰ্যকৰী হৈছে। ৰাজ্যখনৰ এজন চৰকাৰী বিষয়াই নিশ্চিত কৰিছে যে উজ্জয়িন, ওমকাৰেশ্বৰ, মহেশ্বৰ, মন্দেশ্বৰ, অৰ্ছা, মাইহাৰ, চিত্ৰকূট, দতিয়া, পান্না, মণ্ডল, মুলতাই, মন্দচৌৰ, আৰু অমৰকান্তকৰ নগৰীয়া সীমাত সকলো সুৰাৰ দোকান আৰু বাৰ বন্ধ কৰা হৈছে। বিজেপি চৰকাৰে এই ১৯ খন নগৰ আৰু গ্ৰামাঞ্চলক সম্পূৰ্ণ পবিত্ৰ বুলি ঘোষণা কৰি সুৰাৰ ওপৰত নিষেধাজ্ঞা আৰোপ কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৩ এপ্ৰিলত দুদিনীয়া কাৰ্যসূচীৰে থাইলেণ্ডলৈ ৰাওনা হ'ব। থাইলেণ্ডত প্ৰধানমন্ত্ৰীগৰাকীয়ে ষষ্ঠ সংখ্যক BIMSTEC সন্মিলনত অংশগ্ৰহণ কৰিব। উল্লেখযোগ্য যে তৃতীয়বাৰৰ বাবে প্ৰধানমন্ত্ৰীগৰাকীয়ে থাইলেণ্ড ভ্ৰমণ কৰিব। প্ৰধানমন্ত্ৰী মোদীৰ এই ভ্ৰমণকালত ভাৰত আৰু থাইলেণ্ডৰ মাজত বাণিজ্যিক সহযোগিতা বৃদ্ধি পোৱাৰ আশা প্ৰকাশ কৰা হৈছে। সমৃদ্ধিশালী, স্থিতিস্থাপক, আৰু মুকলি বিমষ্টেক হৈছে এইবাৰৰ সন্মিলনৰ মূল বিষয়বস্তু। সদস্য ৰাষ্ট্ৰসমূহৰ মাজত নিৰাপত্তা আৰু উন্নয়নমূলক প্ৰত্যাহ্বানসমূহ মোকাবিলা কৰিব পৰাকৈ সহযোগিতা গঢ়ি তোলাই এই সন্মিলনৰ প্ৰধান উদ্দেশ্য। বিমষ্টেকত

বংগোপসাগৰ অঞ্চলৰ সাতখন দেশক সামৰি লোৱা হৈছে। ইয়াৰ ভিতৰত আছে বাংলাদেশ, ভূটান, ভাৰত, ম্যানমাৰ, নেপাল, শ্ৰীলংকা আৰু থাইলেণ্ড।

০০০০০

পশ্চিমবংগৰ দক্ষিণ ২৪ পৰগনা জিলাৰ পাথৰ প্ৰতিমাৰ এটা ঘৰত কালি নিশা হোৱা এটা চিলিণ্ডাৰ বিস্ফোৰণৰ ঘটনাত ৪ গৰাকী শিশু আৰু দুগৰাকী মহিলাকে ধৰি মুঠ ৭ গৰাকী লোকৰ মৃত্যু হয়। সুন্দৰবনৰ জিলা আৰক্ষী অধীক্ষক কোটেশ্বৰ ৰাওৱে এই বিস্ফোৰণৰ ঘটনাত আন এগৰাকী মহিলা আহত হোৱাৰ কথা নিশ্চিত কৰিছে। তেওঁ কয়, যে মৃতদেহসমূহ ঘটনাস্থলীৰ পৰা উদ্ধাৰ কৰাৰ লগতে আহত মহিলাগৰাকীক হাস্পতালত ভৰ্তি কৰোৱা হৈছে। মৃত লোকসকল একেটা পৰিয়ালৰে সদস্য বুলি ঠাৱৰ কৰা হৈছে। আৰক্ষী অধীক্ষকগৰাকীয়ে জনোৱা মতে পৰিস্থিতি বৰ্তমান নিয়ন্ত্ৰণাধীন আৰু ঘটনাৰ সবিশেষ তদন্ত অব্যাহত আছে।

০০০০০

চিলীৰ ৰাষ্ট্ৰপতি গেব্ৰিয়েল বৰিক ফণ্টে ৫ দিনীয়া ভ্ৰমণসূচীৰে আজি ভাৰতত উপস্থিত হ'ব। তেওঁৰ সৈতে কেইবাগৰাকীও মন্ত্ৰী, সাংসদ, ব্যৱসায়িক সহযোগী আৰু ভাৰত-চিলীৰ সাংস্কৃতিক সম্পৰ্কৰ সৈতে সংযুক্ত হৈ থকা চিলীৰ বিশিষ্ট নাগৰিকৰে গঠিত এটা উচ্চস্তৰীয় প্ৰতিনিধি দল ভাৰতলৈ আহিব। এয়া হ'ব ৰাষ্ট্ৰপতি বৰিকৰ প্ৰথমবাৰলৈ ভাৰত ভ্ৰমণ।

এই ভ্ৰমণকালত ৰাষ্ট্ৰপতি বৰিকে আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰি ভাৰত-চিলীৰ সম্পৰ্কৰ বিষয়ে আলোচনাত মিলিত হ'ব। তেওঁ ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুকো সাক্ষাৎ কৰিব। উল্লেখযোগ্য যে ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে চিলীৰ ৰাষ্ট্ৰপতিগৰাকীৰ সন্মানত এটা অভ্যৰ্থনা অনুষ্ঠানৰ আয়োজন কৰিব।

ৰাষ্ট্ৰপতি বৰিকে অহা ৫ এপ্ৰিলত চিলীলৈ উভতি যোৱাৰ পূৰ্বে আগ্ৰা, মুম্বাই আৰু বেংগালুৰু ভ্ৰমণ কৰিব। মুম্বাই আৰু বেংগালুৰুত তেওঁ কেইবাগৰাকীও ৰাজনৈতিক নেতা ব্যৱসায়ী উদ্যোগখণ্ডৰ প্ৰতিনিধি, ষ্টাৰ্টআপ তথা উদ্ভাৱক সকলক সাক্ষাৎ কৰিব।

০০০০০

আই পি এল টি টুৱেন্টি ক্ৰিকেট প্ৰতিযোগীতাৰ এখন খেলত কালি নিশা মুম্বাইৰ ৱাংখাড়ে ষ্টেডিয়ামত মুম্বাই ইণ্ডিয়ানছে কলকাতা নাইট ৰাইডাৰ্ছক ৮ উইকেটত পৰাস্ত কৰে। খেলখনত মুম্বাই ইণ্ডিয়ানছে মাত্ৰ দুটা উইকেট হেৰুৱাই ১২ অভাৰ আৰু ৫ টা বলত ১১৭ ৰানৰ লক্ষ্য ভেদ কৰে। দলটোৰ হৈ অ'পেনাৰ ৰায়ন ৰিকেলটনে ৪১টা বলত আউট নোহোৱাকৈ ৬২ ৰান সংগ্ৰহ কৰে। আনহাতে সূৰ্য্যকুমাৰ যাদৱে মাত্ৰ ৯টা বলত ২৭ ৰান কৰে। ইয়াৰ পূৰ্বে প্ৰথমে বেট ধৰি কলকাতা নাইট ৰাইডাৰ্ছে ১৬ অভাৰ আৰু দুটা বলত ১১৬ ৰান সংগ্ৰহ কৰি আটাইকেইটা উইকেট হেৰুওৱাই। কলকাতাৰ হৈ অংকৃশ ৰঘুবংশীয়ে ২৬ ৰান সংগ্ৰহ কৰে। বিপৰীতে মুম্বাইৰ হৈ ৪টা উইকেট দখল কৰা অশ্বিনী কুমাৰক প্লেয়াৰ অব দ্যা মেচ সন্মান প্ৰদান কৰা হয়। আজি লক্ষ্ণৌৰ একানা ক্ৰিকেট ষ্টেডিয়ামত লক্ষ্ণৌ ছুপাৰ জায়েন্টছে পঞ্জাব কিংছৰ বিৰুদ্ধে খেলিব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব।

০০০০০

ব্ৰাজিলত অনুষ্ঠিত বিশ্ব বক্সিং কাপত এছিয়ান গেমছত ব্ৰঞ্জৰ পদক বিজয়ী নৰেন্দ্ৰ বেৰৱালে ভাৰতৰ ১০ জনীয়া পুৰুষৰ দলটোক নেতৃত্ব দিছে আৰু দুজন ভাৰতীয় বক্সাৰে ইতিমধ্যে ছেমিফাইনেলত পোনপটীয়াকৈ প্ৰৱেশ নিশ্চিত কৰিছে। ব্ৰাজিলৰ ফইজ ডোইগাচুত এই প্ৰতিযোগিতা আৰম্ভ হৈছে। প্ৰতিযোগীতাৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত লক্ষ্য চহৰে ২০২৩ চনৰ বিশ্ব চেম্পিয়নশ্বিপৰ ৰূপৰ পদক বিজয়ী ব্ৰাজিলৰ ৱাণ্ডাৰলি পেৰেইৰাৰ বিৰুদ্ধে ৮০ কেজি ওজন শাখাত খেলিব।

০০০০০

মেনোৰ্কা অ'পেন টেনিছ প্ৰতিযোগীতাৰ স্পেইনত অনুষ্ঠিত হ'বলগীয়া এখন খেলত আজি ভাৰতৰ জীৱন নেদুনচেজিয়ান আৰু বিজয় সুন্দৰ প্ৰশান্তে অভিযান আৰম্ভ কৰিব। পুৰুষৰ ডাবলছ কোৱাৰ্টাৰ ফাইনেলত খেলুৱৈদুগৰাকীয়ে ইটালীৰ মেটিঅ' ভাবাচ্ছৰী আৰু আন্দেৰা ভাবাচ্ছৰীৰ যুটিটোৰ বিৰুদ্ধে খেলিব। ভাৰতীয় সময় অনুসৰি খেলখন সন্ধিয়া ৫ বজাত আৰম্ভ হ'ব। ইফালে, একেটা শাখাতে স্পেইনৰ ডেভিদ ভেগা হাৰ্নাণ্ডেজৰ সৈতে ভাৰতীয় টেনিছ খেলুৱৈ অনিৰুদ্ধ চন্দ্ৰশেখৰে যুক্তৰাষ্ট্ৰৰ জোছুয়া পেৰিছ আৰু ইজৰাইলৰ ডেনিয়েল কুকিয়াৰমেনৰ যুটিটোৰ বিৰুদ্ধে খেলিব। ভাৰতীয় যুটি ৰামকুমাৰ ৰামানাথন আৰু সাকেথ মাইনেনীয়েও পুৰুষৰ ডাবলছ শাখাত কাইলৈ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত আৰ্জেণ্টিনাৰ পেড্ৰ' কেচিন আৰু স্পেইনৰ ইজান ক'ৰেজাৰ বিৰুদ্ধে খেলিব।

০০০০০

হিৰো এছিয়া হকী প্ৰতিযোগীতা ২০২৫ বিহাৰৰ ৰাজগীৰত আগষ্ট মাহত অনুষ্ঠিত হ'ব। পাটনাৰ পাটলীপুত্ৰ ক্ৰীড়া কমপ্লেক্সত হকী ইণ্ডিয়া আৰু বিহাৰ ৰাজ্যিক ক্ৰীড়া কৰ্তৃপক্ষই এই সন্দৰ্ভত এখন বুজাবুজি চুক্তি স্বাক্ষৰ কৰে। এই প্ৰতিযোগিতাখন অহা ২৯ আগষ্টৰ পৰা ৭ ছেপ্টেম্বৰলৈ ৰাজগীৰ হকী ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। যোৱা বছৰৰ নৱেম্বৰ মাহত অনুষ্ঠিত মহিলা এছিয়ান চেম্পিয়নছ ট্ৰফীৰ পিছত এয়াই হ'ব ৰাজগীৰৰ দ্বাৰা আয়োজিত দ্বিতীয়খন আন্তঃৰাষ্ট্ৰীয় ক্ৰীড়া প্ৰতিযোগিতা। হিৰো এছিয়া কাপৰ দ্বাদশ সংস্কৰণত এইবাৰ ভাৰত, পাকিস্তান, জাপান, কোৰিয়া, চীন, মালয়েছিয়াকে ধৰি ৮টা দলে অংশগ্ৰহণ কৰিব। বাকী দুটা দলে কোৱালিফাইং টুৰ্ণামেণ্ট এ এইচ এফ কাপৰ জৰিয়তে নিজৰ স্থান নিশ্চিত কৰিব। পুৰুষ এছিয়া কাপৰ ইতিহাসত পাঁচবাৰকৈ জয়লাভ কৰি বৰ্তমান দক্ষিণ কোৰিয়া তালিকাৰ প্ৰথম স্থানত আছে।

০০০০০

সমাপ্ত